NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-06-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশত অব্যাহত থকা গ্ৰীষ্ম প্ৰবাহ আৰু ঘূৰ্ণি বতাহ ৰীমালৰ পাছৰ পৰিস্থিতিৰ সন্দৰ্ভত এখন পৰ্যালোচনা কৰাৰ বাবে পৃথক বৈঠকত মিলিত হয়।

২। অৰুণাচল প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত ভাৰতীয় জনতা পাৰ্টি জয়ী হৈ পুনৰ ক্ষমতালৈ আহিছে।

৩। নিৰ্বাচন আয়োগে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভোটগণনাৰ পূৰ্বে ১৫০ গৰাকী জিলা দণ্ডাধীশলৈ ফোন কৰা বুলি কংগ্ৰেছৰ নেতা জয়ৰাম ৰমেশে দিয়া অভিযোগৰ সবিশেষ প্ৰকাশ কৰিবলৈ নেতাগৰাকীক নিৰ্দেশ দিছে।

৪। আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গায়ানাৰ প্ৰভিডেন্স ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত সহআয়োজক ৱেষ্ট ইণ্ডিজ-পাপুৱা নিউগিনিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। *আৰু*

৫। টাইৱান এথলেটিক্স অ'পেন প্ৰতিযোগিতাৰ পুৰুষৰ ৮০০ মিটাৰ দৌৰত ভাৰতৰ অংকেশ চৌধৰীয়ে সোণৰ পদক লাভ কৰিছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দেশত অব্যাহত থকা গ্ৰীষ্ম প্ৰবাহ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত প্ৰধানমন্ত্ৰীক ভাৰতীয় বতৰ বিজ্ঞান বিভাগে প্ৰকাশ কৰা আগলী বতৰা অনুসৰি ৰাজস্থান, গুজৰাট আৰু মধ্যপ্ৰদেশত গ্ৰীষ্ম প্ৰবাহ অব্যাহত থাকিব বুলি অৱগত কৰোৱা হয়। প্ৰধানমন্ত্ৰীয়ে এই সময়ছোৱাত অগ্নিকাণ্ডৰ দৰে ঘটনা ৰোধ তথা এনে ঘটনাৰ সৈতে মোকাবিলা কৰাৰ বাবে নিয়মিতভাৱে অনুশীলন কৰিবলৈ সংশ্লিষ্ট কৰ্তৃপক্ষক নিৰ্দেশ দিছে। তেওঁ কয় যে চিকিৎসালয় আৰু অন্যান্য ৰাজহুৱা স্থানসমূহত বৈদ্যুতিক সুৰক্ষা সুনিশ্চিত কৰাৰ বাবেও তেওঁ নিৰ্দেশ দিয়ে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি নতুন দিল্লীত ঘূৰ্ণি বতাহ ৰীমালৰ পাছৰ পৰিস্থিতিৰ সন্দৰ্ভত এখন পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰে। বৈঠকত প্ৰধানমন্ত্ৰী মোদীক ঘূৰ্ণি বতাহ ৰীমালৰ প্ৰভাৱ পৰা ৰাজ্য কেইখনত উদ্ভৱ হোৱা পৰিস্থিতিৰ সন্দৰ্ভত অৱগত কৰা হয়। বৈঠকত ৰীমালৰ ফলত অসম, মিজোৰাম, মণিপুৰ, মেঘালয় আৰু ত্ৰিপুৰাত বান আৰু ভূমিস্খলনৰ ফলত মৃত্যু হোৱা লোকৰ লগতে জনসাধাৰণৰ সা-সম্পত্তি ক্ষতিগ্ৰস্ত হোৱাৰ সবিশেষ তথ্য অৱগত কৰোৱা হয়। প্ৰধানমন্ত্ৰী মোদীয়ে বৈঠকত ঘূৰ্ণি বতাহৰ ফলত ক্ষতিগ্ৰস্ত হোৱা ৰাজ্যসমূহক কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ সহায়-সহযোগিতা আগবঢ়াব বুলি জানিবলৈ দিয়ে। তেওঁ লগতে গৃহমন্ত্ৰালয়ক ৰাজ্য কেইখনৰ পৰিস্থিতি নিয়মীয়াকৈ পৰ্যৱেক্ষণ কৰি থাকিবলৈ নিৰ্দেশ দিয়ে যাতে পুনৰ উদ্ধাৰৰ বাবে প্ৰয়োজনীয় সাহায্য

আগবঢ়াব পৰা যায়। আজিৰ বৈঠকত প্ৰধানমন্ত্ৰীৰ প্ৰধান সচিব, কেবিনেট সচিব আৰু গৃহ সচিবকে ধৰি এন ডি আৰ এফৰ সঞ্চালক প্ৰধান, প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ জ্যেষ্ঠ বিষয়াসকলৰ লগতে সংশ্লিষ্ট মন্ত্ৰালয়ৰ বিষয়াসকল উপস্থিত থাকে।

oooooooo

ভাৰতীয় জনতা পাৰ্টীয়ে অৰুণাচল প্ৰদেশৰ বিধানসভাৰ নিৰ্বাচনত পুনৰ ক্ষমতালৈ আহিছে। ইফালে ছিকিম ক্ৰান্তিকাৰী মৰ্চাই পুনৰ শাসনলৈ আহিছে। উত্তৰ-পূৰ্বাঞ্চলৰ দুয়োখন ৰাজ্যতে আজি ভোটগণনা সম্পন্ন হয়। অৰুণাচল প্ৰদেশৰ ৬০ খন বিধানসভা আৰু ছিকিমৰ ৩২ খন বিধানসভা আসনৰ বাবে ১৯ এপ্ৰিলত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে ভোটগ্ৰহণ অনুষ্ঠিত হৈছিল।

অৰুণাচল প্ৰদেশত ইতিমধ্যে ভাৰতীয় জনতা পাৰ্টীয়ে  বিনা প্ৰতিদ্বন্দ্বিতাৰে ১০ খন আসন লাভ কৰিছিল। বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত উল্লেখ যোগ্য প্ৰাৰ্থীৰ ভিতৰত মুখ্যমন্ত্ৰী পেমা খান্দু আৰু উপ-মুখ্যমন্ত্ৰী চাওনা মেইন অন্যতম। আজি ভোটগণনা সম্পন্ন হোৱা ৫০খন আসনৰ ভিতৰত বিজেপিয়ে ৩৬ খন, নেচনেল পিপলছ্‌ পাৰ্টীয়ে ৫ খন, ৰাষ্ট্ৰবাদী কংগ্ৰেছ পাৰ্টি আৰু নিৰ্দলীয়ই তিনিখনকৈ আসন, পিপলছ্‌ পাৰ্টী অব্‌ অৰুণাচলে দুখন আৰু ভাৰতীয় জাতীয় কংগ্ৰেছে এখন আসন লাভ কৰে। আজি নিৰ্বাচনত জয়লাভ কৰা উল্লেখযোগ্য প্ৰাৰ্থীৰ ভিতৰত বিজেপিৰ প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী নিনং এৰিং, ড০ মহেশ চাই, তাই নিকিঅ' অন্যতম। আনহাতে ভাৰতীয় জনতা পাৰ্টীয়ে দৈমুখ বিধানসভা সমষ্টিত দলটোৰ বৰ্তমানৰ বিধায়ক তানা হালি তাৰা পিপলছ্‌ পাৰ্টী অব্‌ অৰুণাচলৰ প্ৰাৰ্থী নাবাম বিবেকৰ হাতত পৰাস্ত হয়। একেদৰে মেব' বিধানসভা সমষ্টিটো বিজেপিৰ বৰ্তমানৰ বিধায়কগৰাকী পিপলছ্‌ পাৰ্টী অব্‌ অৰুণাচলৰ প্ৰাৰ্থীৰ হাতত পৰাস্ত হয়।

ইফালে ছিকিমৰ ৩২ খন আসন থকা বিধানসভা নিৰ্বাচত ছিকিম ক্ৰান্তিকাৰী মৰ্চাই ৩১ খন আসন লাভ কৰে। আনহাতে ছিকিম ডেম'ক্ৰেটিক ফ্ৰণ্টে এখন আসন লাভ কৰে। বৰ্তমানৰ মুখ্যমন্ত্ৰী তথা ছিকিম ক্ৰান্তিকাৰী মৰ্চাৰ সভাপতি প্ৰেম সিং তামাঙে ৰেনক আৰু চোৰেং চাকুঙ সমষ্টি দুটাৰ পৰা নিৰ্বাচিত হয়। দলটোৰ প্ৰাৰ্থী তথা ৰাজ্যখনৰ বিধানসভাৰ অধ্যক্ষ অৰুণ কুমাৰ উপৰেট্ৰীয়ে আৰিথং বিধানসভা সমষ্টিৰ পৰা নিৰ্বাচিত হয়। ইফালে ছিকিম ডেম'ক্ৰেটিক ফ্ৰণ্টৰ সভাপতি আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী পৱন কুমাৰ চামলিং, পকলক কামৰাং,আৰু নামচেইবুং সমষ্টি দুটাৰ পৰা পৰাজিত হয়।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অৰুণাচল প্ৰদেশৰ জনসাধাৰণক ভাৰতীয় জনতা পাৰ্টীৰ সপক্ষে জনাদেশ দিয়াৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ জনসাধাৰণক বিজেপিৰ প্ৰতি আস্থা প্ৰকাশ কৰি পুনৰ শাসনভাৰ দিয়াৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে, ৰাজ্যখনৰ বিকাশৰ বাবে দলটোৱে অধিক শক্তিৰে কাম কৰি যাব। তেওঁ লগতে সমগ্ৰ ৰাজ্যতে জনসাধাৰণ সৈতে সম্পৰ্ক বৰ্তাই ৰখাৰ বাবে বিজেপিৰ নেতা-কৰ্মীসকলৰ পৰিশ্ৰমক প্ৰশংসা কৰিছে।

oooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ছিকিমৰ বিধানসভাৰ নিৰ্বাচনত জয়লাভ কৰাৰ বাবে ছিকিম ক্ৰান্তিকাৰী মৰ্চা আৰু মুখ্যমন্ত্ৰী প্ৰেম সিং টামাঙক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে,

ছিকিমৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰৰ সৈতে সহযোগিতাৰে কাম কৰি যাবলৈ তেওঁ আগ্ৰহী। তেওঁ লগতে ছিকিম বিধানসভা নিৰ্বাচনত বিজেপি কৰ্মকৰ্তাসকলৰ কাম-কাজৰো প্ৰশংসা কৰে।

00000000

নিৰ্বাচন আয়োগে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে ভোট গণনাৰ পূৰ্বে ১৫০ গৰাকী জিলা দণ্ডাধীশলৈ ফোন কৰা বুলি কংগ্ৰেছৰ নেতা জয়ৰাম ৰমেশে দিয়া অভিযোগৰ সবিশেষ প্ৰকাশ কৰিবলৈ  আজি নেতাগৰাকীক নিৰ্দেশ দিছে। শ্ৰী ৰমেশলৈ লিখা এখন পত্ৰত নিৰ্বাচন আয়োগে এইটো স্পষ্ট কৰি দিছে যে, আদৰ্শ নিৰ্বাচনী সংহিতা বলৱৎ হৈ থকাৰ সময়ছোৱাত সকলোবোৰ বিষয়া আয়োগৰ ওচৰত দায়বদ্ধ হৈ থাকে আৰু তেওঁলোকে যিকোনো নিৰ্দেশ দিয়াৰ পূৰ্বে আয়োগক প্ৰত্যক্ষভাৱে অৱগত কৰিব লাগে। আয়োগে লগতে কৈছে যে, কংগ্ৰেছৰ নেতাগৰাকীয়ে অভিযোগ কৰাৰ দৰে কোনো এগৰাকী জিলা দণ্ডাধীশে কোনো ব্যক্তিকে কোনো প্ৰকাৰে প্ৰভাৱিত কৰা সন্দৰ্ভত আয়োগে একো তথ্য লাভ কৰা নাই।

নিৰ্বাচন আয়োগে লগতে কৈছে যে, শ্ৰী ৰমেশে দিয়া এনেধৰণৰ ৰাজহুৱ বিবৃতিয়ে সন্দেহৰ সৃষ্টি কৰে আৰু সেয়েহে বৃহত্তৰ জনস্বাৰ্থৰ খাতিৰত ইয়াৰ সমাধান কৰাটো অত্যন্ত আৱশ্যক। কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কাক কেনেধৰণৰ ফোন কল কৰিছিল, সেই বিষয়ে সবিশেষ তথ্য প্ৰকাশ কৰিবলৈ আয়োগে শ্ৰী ৰমেশক অনুৰোধ জনাইছে যাতে এই সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণ কৰিব পৰা যায়।

00000000

আই চি চি টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতা আজি গায়ানাৰ প্ৰভিডেন্স ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত সহআয়োজক ৱেষ্ট ইণ্ডিজ পাপুৱা নিউগিনিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ৮ বজাত আৰম্ভ হ'ব। আমেৰিকা আৰু ৱেষ্ট ইণ্ডিজে এইবাৰ যৌথভাৱে আয়োজন কৰা প্ৰতিযোগিতাৰ নৱম সংস্কৰণ আজি আমেৰিকাত আৰম্ভ হৈছে।

আজি ডালাছৰ প্ৰেইৰি ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত  আমেৰিকা যুক্তৰাষ্ট্ৰই কানাডাক ৭ উইকেটত পৰাস্ত কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰই ১৯৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৭ অভাৰ আৰু ৪ টা বলত ৩ টা উইকেটৰ  বিনিময়ত ১৯৭ ৰাণ কৰে। ইয়াৰ পূৰ্বে কানাডাই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৫ টা উইকেট হেৰুৱাই ১৯৪ ৰাণ কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ হৈ আৰ'ণ জন্স আৰু এণ্ড্ৰিজ গৌছে অৰ্ধশতক অৰ্জন কৰে।

00000000

টাইৱান এথলেটিক্স অ'পেন প্ৰতিযোগিতাত ভাৰতৰ অংকেশ চৌধৰীয়ে পুৰুষৰ ৮০০ মিটাৰ দৌৰত সোণৰ পদক লাভ কৰাৰ লগতে সোমনাথ চৌহানে ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। অংকেশে এক মিনিট আৰু ৫০ দশমিক ৬-৩ ছেকেণ্ডত এই দূৰত্ব অতিক্ৰম কৰি সোণৰ পদক অৰ্জন কৰাৰ বিপৰীতে সোমনাথে এক মিনিট আৰু ৫০ দশমিক ৮-৮ ছেকেণ্ডত এই দূৰত্ব অতিক্ৰম কৰে। একেটা শিতানত ফিলিপাইনছৰ হুছেইন ল'ৰানাই ব্ৰঞ্জৰ পদক লাভ কৰে।

ইয়াৰ পূৰ্বে মহিলাৰ **লং জাম্প** শিতানত ভাৰতৰ নয়না জেমছে সোণৰ পদক অৰ্জন কৰে। খেলুৱৈ গৰাকীয়ে ৬ দশমিক ৪-৩ মিটাৰ ওখ জাপ মাৰি এই কৃতিত্ব অৰ্জন কৰে। এই শিতানত জাপানৰ চুমিৰে হাতাই ব্ৰঞ্জ আৰু দক্ষিণ কোৰিয়াৰ য়ু জেয়ংমিয়ে ব্ৰঞ্জৰ পদক লাভ কৰে।

০০০০০০০০

ভাৰতীয় বক্সাৰ অমিত পংগালে পুৰুষৰ ৫১ কিলোগ্ৰাম ওজন শাখাত পেৰিছ্ অলিম্পিকৰ কোটাত স্থান নিশ্চিত কৰিছে। বেংককত অনুষ্ঠিত বিশ্ব বক্সিং যোগ্যতা নিৰ্ণয়কাৰী প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত পংগালে চীনৰ লিউ চুৱাঙক ৫-০ ফলাফলত পৰাস্ত কৰে। নিশান্ত দেব, নিখাত জৰিন, প্ৰীতি পাৱাৰ আৰু টকিঅ' অলিম্পিকত ব্ৰঞ্জৰ পদক বিজেতা লাভলীনা বৰগোহাঁইৰ পাছত অমিত পংগাল হৈছে পেৰিছ্ অলিম্পিকৰ বাবে যোগ্যতা অৰ্জন কৰা পঞ্চমগৰাকী ভাৰতীয় বক্সাৰ।

০০০০০০০০

আকাশবাণী গুৱাহাটী আঞ্চলিক বাতৰি বিভাগে পৰহিলৈ লোকসভা নিৰ্বাচনৰ ভোটগণনাৰ দিনা **জনাদেশ-২০২৪** শীৰ্ষক দিনজোৰা অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত কেইবাগৰাকীও বিশ্লেষক আৰু সমল ব্যক্তিৰ উপস্থিতত ভোটগণনাৰ শেহতীয়া তথ্য সম্পৰ্কে আলোচনা কৰাৰ লগতে দেশ আৰু ৰাজ্যৰ বিভিন্ন সমষ্টিৰ পৰা আকাশবাণীৰ সংবাদদাতাৰ সৈতে সংযোগ স্থাপন কৰি পোনপটীয়াকৈ ভোটগণনাৰ শেহতীয়া তথ্য প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো পুৱা ৯ বাজি ১৫ মিনিটৰ পৰা অব্যাহত থাকিব। এই অনুষ্ঠানটো NEWS ON AIR এপ, আমাৰ ইউ টিউব চেনেল AIR NEWS GUWAHATI আৰু X হেণ্ডেল @AIRNEWS_GHY যোগে পোনপটীয়াকৈ প্ৰচাৰ কৰা হ'ব।

০০০০০০০০

সমাপ্ত